**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাটৰ দেৰগাঁৱৰ বৰুৱা বামুণ গাঁৱত থকা পৰিত্যক্ত চেনিকল পৰিদৰ্শন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে গোলাঘাটত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিত্যক্ত হৈ থকা ৫০০ বিঘা মাটি ৰাজ্য চৰকাৰৰ অধীনলৈ অনাৰ ব্যৱস্থা কৰাৰ বাবে জিলা আয়ুক্তক নিৰ্দেশ দিয়ে। এই ভূমি এডভাণ্টেজ অসম টু পইণ্ট জিৰ'ৰ সৈতে সংগতি ৰাখি উৎপাদনশীল কামত ব্যৱহাৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত অনুষ্ঠিত আৰক্ষী অধীক্ষকৰ সন্মিলনত অংশগ্ৰহণ কৰে।

ooooooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীপ ছাফাৰী অহা ৩১ মে'লৈকে মুকলি কৰি দিয়া হৈছে। পৰ্যটক আৰু জীপ চাফাৰী সন্থাৰ অনুৰোধমৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি উদ্যান কৰ্তৃপক্ষই সদৰি কৰিছে। উল্লেখযোগ্য যে প্ৰতিকুল বতৰৰ পৰিপ্ৰেক্ষিতত কালিৰ পৰা কাজিৰঙাত জীপ চাফাৰী বন্ধ ঘোষণা কৰা হৈছিল। পৰ্যটকসকলে কাজিৰঙাৰ কঁহৰা, বাগৰি আৰু অগৰাতলীত জীপ ছাফাৰী কৰিব পাৰিব বুলি উদ্যান কৰ্তৃপক্ষই জাননী জাৰি কৰিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে চলিত পৰ্যটন বৰ্ষত সৰ্বাধিক পৰ্যটকে পৰিদৰ্শন কৰা দেশৰ ৰাষ্ট্ৰীয় উদ্যানৰ তালিকাত তৃতীয় স্থান লাভ কৰিছে। ২০২৪-২৫ পৰ্যটন বৰ্ষত ৪ লাখ ৪৩ হাজাৰ পৰ্যটকে উদ্যানখন ভ্ৰমণ কৰিছিল। ইয়াৰ পৰা ১১ কোটি টকাৰো অধিক ৰাজহ সংগ্ৰহ হৈছে বুলি উদ্যানখনৰ সঞ্চালক ড° সোণালী ঘোষে প্ৰকাশ কৰিছে। যোৱা বছৰৰ তুলনাত এইবাৰ ৩৫ শতাংশ পৰ্যটক বৃদ্ধি হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

ইফালে ৰাজ্যৰ আন এখন প্ৰখ্যাত ৰাষ্ট্ৰীয় উদ্যান মানাহ দৰ্শনাৰ্থীৰ বাবে বছৰৰ ১২ মাহে খোলা ৰখাৰ চিন্তা-চৰ্চা কৰি থকা হৈছে বুলি পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে জানিবলৈ দিছে।

ooooooo

আজি বিশ্ব মৌমাখি দিৱস। পৰিস্থিতি তন্ত্ৰৰ সমতা ৰক্ষাৰ উদ্দেশ্যে উদ্ভিদৰ পৰাগযোগত মৌমাখিৰ ভূমিক সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্য আগত ৰাখি এই দিৱস পালন কৰা হয়। ২০১৭ চনৰ আজিৰ দিনটোতে ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহে প্ৰথমবাৰলৈ বিশ্ব মৌমাখি দিৱস পালনৰ দিহা কৰিছিল।

মাজুলীৰ মুদৈবিল গাঁৱৰ ভীমকান্ত শইকীয়াই মৌ-পালনেৰে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিছে। বিগত ২০ বছৰ ধৰি মৌ পালন কৰি অহা শইকীয়া হৈছে মাজুলীৰ প্ৰথমগৰাকী তথা একমাত্ৰ মৌপালক। নিজৰ বাৰীত ওলোৱা এবাহ মৌৰে ঘৰতে সাজি লোৱা এটা বাকচত মৌপালন আৰম্ভ কৰা শইকীয়া সম্প্ৰতি ৪০ বাহ মৌৰ গৰাকী।

ooooooooo

ৰাজ্যৰ বিভিন্ন স্থানত অহা দুই-তিনিদিনলৈ নেৰানেপেৰা বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। আজি গুৱাহাটী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত যথেষ্ট বৰষুণ হোৱা বুলি

কেন্দ্ৰই প্ৰকাশ কৰিছে। ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ অংশত অতিবৃষ্টি হোৱাৰ সম্ভাৱনা থকাৰ লগতে কিছু অঞ্চলত ২০০ মিলিমিটাৰলৈকে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ধাৰাসাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চল পানীত বুৰ যোৱাৰ লগতে ঠাই বিশেষে গছ উভালি পৰা তথা ভূমিস্খলনৰ আশংকা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনে পৰিস্থিতি পৰ্যবেক্ষণ কৰি থকাৰ লগতে জৰুৰীকালীন সেৱাসমূহ সাজু কৰি ৰখা হৈছে।

০০০০০০০০০

হৰমিৎ সিঙক আৰক্ষীৰ পূৰ্ণ পৰ্যায়ৰ সঞ্চালকপ্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে। পূৰ্বৰ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ বদলিৰ পাছত চৰকাৰে হৰমিৎ সিঙক ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালকপ্ৰধানৰ দায়িত্ব প্ৰদান কৰিছিল।

০০০০০০০০০

পণ্ডিত প্ৰৱৰ আনন্দৰাম বৰুৱাৰ ১৭৫ সংখ্যক জন্মদিন উপলক্ষে কাইলৈ কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থা - এবিলেকৰ উদ্যোগত এখন স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ সভাগৃহত আয়োজিত কাৰ্যসূচীত নতুন দিল্লীৰ ভাৰতীয় সমাজ বিজ্ঞান অনুসন্ধান পৰিষদৰ সদস্য সচিব অধ্যাপক ধনঞ্জয় সিঙে পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱা স্মাৰক বক্তৃতা আগবঢ়াব। এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী তথা এবিলেকৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ ৰণোজ পেগু উপস্থিত থাকিব।

০০০০০০০

লখিমপুৰ জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ দুলুংমুখ সংমণ্ডলত আজিৰে পৰা ৩০ আগষ্টলৈ সেনা বাহিনীৰ সশস্ত্ৰ অনুশীলন কৰা হ'ব। এই সময়ছোৱাত সেনা বাহিনীয়ে বোমা বিস্ফোৰণ, গুলীচালনা আদিৰ অনুশীলন কৰিব। লখিমপুৰ জিলা প্ৰশাসন আৰু বন বিভাগে এটা নিৰ্দেশযোগে এই সময়ছোৱাত দুলুংমুখ এলেকাত  সাধাৰণ লোকৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে। জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি ৰোধ কৰাৰ উদ্দেশ্যে এই ক্ষেত্ৰত সজাগ কৰিবলৈ প্ৰশাসনে এই নিৰ্দেশ জাৰি কৰিছে।

০০০০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত জল আৰু অনাময় অভিযানৰ এখন সভা অনুষ্ঠিত হয়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিব্ৰুগড়, মৰাণ আৰু নাহৰকটিয়াৰ উপ-সংমণ্ডলৰ অন্তৰ্গত অঞ্চলসমূহত জল-জীৱন মিছনৰ অধীনত নলযোগে পানী সংযোগ প্ৰদান, পানীৰ গুণাগুণ পৰীক্ষা আদি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। এই সভাতে স্বচ্ছ ভাৰত অভিযান-গ্ৰামীনৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভতো পৰ্যালোচনা কৰা হয়।

০০০০

সমাপ্ত